# ঈশ্বৰে প্ৰাৰ্থনা শুনিলে আৰু সিংহৰ মুখবোৰ বন্ধ কৰিলে।

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু, এই অধ্যয়নৰ যোগেদি বিশ্বাসেৰে প্ৰাৰ্থনা কৰিবলৈ ল’ৰা-ছোৱালীক শিকাওক।” বয়স অনযায়ী আৰু প্ৰচলিত প্ৰয়োজন মতে শিকিব লগীয়া কাম কাজ বাচি লওক।



**দানিয়েল আৰু সিংহবোৰ** ঃ শিক্ষকে অথবা কোনো এজন ডাঙৰ ল’ৰা/ছোৱালীয়ে দানিয়েল ৬ অধ্যায়ৰ গল্পটো পঢ়ক অথবা কওক। সিংহৰ মুখৰ পৰা ৰক্ষা কৰি কেনেকৈ দানিয়েলৰ প্ৰাৰ্থনাৰ উত্তৰ দিলে, এই কথাকে শাস্ত্ৰৰ এই অংশই কয়।

**প্ৰশ্ন কৰক** ঃ *(প্ৰতিটো প্ৰশ্নৰ শেষত উত্তৰ দিয়া আছে।)*

১। ৰজাৰ বিষয়াই দানিয়েলক কিয় হিংসা কৰিছিল? *(৩ পদ)*

২। প্ৰাৰ্থনাৰ বিষয়ে ৰজাৰ বিষয়া বিলাকে ৰজাক কিয় নতুন বিধান প্ৰৱৰ্ত্তন কৰিবলৈ কৈছিল? *(৬ পদ)*

৩। ৰজাৰ নতুন বিধানৰ কথা শুনি দানিয়েলে কি কৰিলে? *(১০ পদ)*

৪। দানিয়েল গাঁতত থকা ৰাতি ৰজাই কি কৰিলে? *(১৮ পদ)*

৫। সিংহৰ মুখৰ পৰা দানিয়েল কেনেকৈ ৰক্ষা পৰিল? *(২২ পদ)*

৬। সিংহৰ মুখৰ পৰা দানিয়েল ৰক্ষা পোৱা পিছত ৰজাই কি নতুন আজ্ঞা জাৰি কৰিলে? *(২৬ পদ)*

মণ্ডলীৰ চলাওঁতা সকলৰ লগত ব্যৱস্থা কৰি এই নাটক কৰি দেখুৱাওক। ল’ৰা-ছোৱালীবিলাকক যথোচিত ভাবে প্ৰস্তুত কৰক।

দানিয়েল ৬ অধ্যায়ৰ কিছু অংশৰ নাটক কৰক।

**ডাঙৰ ল’ৰা-ছোৱালীয়ে** অথবা বয়সীয়া লোকে তলত দিয়া অংশত ভাগ লওক ঃ

**বৰ্ণনাকাৰী** ঃ গল্পটোৰ সাৰাংশ কওক। কি ক’ব আৰু কৰিব লাগে তাৰ বাবে ল’ৰা-ছোৱালীক সহায় কৰক।

**ৰজা** ঃ “ৰজাৰ শাসন” বুলি এখন কাগজ হাতত ৰাখক।

**দানিয়েল**

**সৰু ল’ৰা-ছোৱালীয়ে** তলত দিয়া অংশবোৰত ভাগ দিয়ক ঃ

**ৰজাৰ বিষয়াবিলাক** ৰজাৰ আদেশ লিখা কাগজ হাতত ৰাখিব।

**সিংহবিলাক** ঃ ভৰি আৰু হাতেৰে খোজ কাঢ়ি গোজৰিব।

**দূত**। হাতত এখন কাপোৰ লৈ থাকিব।

**সৈন্যবিলাক।**

**বৰ্ণনাকাৰী** ঃ কাহিনীটোৰ প্ৰথম অংশ ১-১০ পদৰ পৰা কওক। এতিয়া চাওক, “ৰজাৰ বিষয়াই কি কয় শুনক”।

**ৰজাৰ বিষয়া** ঃ চিঞৰি কওক, “ৰজাই দানিয়েলক আমাতকৈ অধিক গুৰুত্ব দিছে!” “আঁহা আমি তেওঁৰ পৰা আঁতৰি থাকো। আমি কেনেকৈ তেওঁক দোষাৰূপ কৰিম?” “তেওঁ কোনো ভুল কৰা নাই”।

**ৰজা** ঃ বিষয়াসকল কাগজ দিয়ক। “লোৱা তোমালোকে বিচৰা নতুন আজ্ঞা। সকলোৰে কেৱল মোৰ নামতহে প্ৰাৰ্থনা কৰিব।”

**দানিয়েল** ঃ চকী এখনৰ ওপৰত উঠি খিৰিকি এখন খোলা যেন কৰিব, পিছত আঁঠু লৈ ক’ব, “হে ঈশ্বৰ, মই অকলেই আপোনালৈ প্ৰাৰ্থনা কৰিম আৰু প্ৰতিদিনে আপোনাৰ প্ৰশংসা কৰিম”।

**বৰ্ণনাকাৰী** ঃ কাহিনীটোৰ দ্বিতীয় খণ্ড ১১-১৮ পদৰ পৰা কওক। “শুনক ৰজাৰ বিষয়াই কি কৈছে”।

**ৰজাৰ বিষয়া** ঃ “হে মহাৰাজ, দানিয়েলে এতিয়াও তেওঁৰ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰে। আপুনি তেওঁক সিংহৰ গাঁতত পোলোৱা উচিত”।

**ৰজা** ঃ “নাই, সেইয়া নহ’ব, মই তেনে কৰিব নোৱাৰো! কিন্তু সেয়ে বিধান। গাঁতত পেলাই তাৰ মুখত এটা শিল দিব লাগে! হায়, মই দুঃখিত। মই গোটেই নিশা খাব অথবা শুব নোৱাৰোঁ”।

**সৈন্যবিলাক** ঃ দানিয়েলক ধৰি সিংহৰ গাঁতত পেলায়।

**সিংহবিলাক** ঃ গোজৰিবলৈ আৰম্ভ কৰে।

**বৰ্ণনাকাৰী** ঃ ১৯-২২ পদৰ পৰা কাহিনীটোৰ তৃতীয় খণ্ড কওক। “স্বৰ্গদূতে কি কয়, শুনক!”

**স্বৰ্গদূত** ঃ কাপোৰ এখনেৰে সিংহৰ মুখ বন্ধ কৰিব। কওক, “সিংহবিলাক দানিয়েলক আঘাত নকৰিবা”।

**সিংহবিলাক** ঃ দানিয়েলৰ চাৰিওফালে ঘূৰে আৰু বহি পৰে আৰু টোপনি যায়।

**ৰজা** ঃ “অৱশেষত ৰাতিপুৱাল!” (সিংহৰ গাঁতলৈ যায়) “দানিয়েল তুমি জীৱিত নে? তোমাৰ ঈশ্বৰে তোমাক ৰক্ষা কৰিলেনে?”

**দানিয়েল** ঃ “হয়, এগৰাকী দূতে সিংহৰ মুখবোৰ বন্ধ কৰিলে”।

**বৰ্ণনাকাৰী** ঃ ২৩-২৮ পদৰ পৰা কাহিনীটোৰ চতুৰ্থ খণ্ড কওক। “ৰজাই কি  কৈছে, শুনক।”।

**ৰজা** ঃ “মই বৰ সুখী। দুষ্ট বিষয়াবোৰক মোৰ ওচৰলৈ আনা। সিহঁতক সিংহৰ গাঁতত পেলাই দিয়া। এতিয়া আমি আটায়ে দানিয়েলৰ ঈশ্বৰৰ সেৱা পূজা কৰিম।”

**সিংহবোৰ** ঃ গোজৰণি মাৰে আৰু বিষয়াবোৰক আক্ৰমণ কৰে।

**বৰ্ণনাকাৰী** ঃ বিশ্বাসেৰে প্ৰাৰ্থনা কৰিবলৈ শিকোৱা সকলোৰে বাবে ধন্যবাদ দিয়া।

**প্ৰশ্নবোৰ** ঃ ল’ৰা-ছোৱালীবিলাকক দানিয়েল আৰু তেওঁৰ প্ৰাৰ্থনাৰ বিষয়ে ওপৰত উল্লেখ কৰা প্ৰশ্নবোৰ ডাঙৰ বিলাকক শুধিবলৈ কওক।

**ল’ৰা-ছোৱালীক প্ৰশ্ন কৰক ঃ** আমি বিশ্বাসেৰে প্ৰাৰ্থনা কৰাৰ আন উদাহৰণবোৰ কি কি? (ল’ৰা-ছোৱালীক উদাহৰণ দিবলৈ কওঁক।)



এটা সিংহৰ ছবি আঁকক অথবা দেখুৱাওক। ল’ৰা-ছোৱালীকো আঁকিবলৈ কওক। উপাসনাৰ সময়ত তেওঁলোকে এই ছবিবোৰ ডাঙৰক দেখুৱাওক। আৰু বুজাই কওঁক যে আমি আমাৰ প্ৰাৰ্থনাত কিমান বিশ্বাস কৰিব লাগে, যদিও মানুহে ইয়াৰ বাবে আমাক ঘিণ কৰে।



**মুখস্ত কৰক** ঃ ২ থিচলনীকীয়া ৩ঃ২

**পদ্য** ঃ গীতমালা ৪, ৫ আৰু ৬ পদকেইটা তিনিটা ল’ৰা-ছোৱালীক আবৃতি কৰিবলৈ দিয়ক।

**প্ৰাৰ্থনা** ঃ “হে প্ৰভু, আপুনি সৰ্ব্বশক্তিমান। আপুনি সিংহৰ মুখ বন্ধ কৰিব পাৰে। আমি সদায় আপোনাৰ ভাৰসা কৰোঁ। কষ্টকৰ সময়তো আমি আপোনালৈ প্ৰাৰ্থনা কৰিম। আমালৈ বিপদ আহিলে আপুনি আমাক অনন্ত মৃত্যুৰ পৰা ৰক্ষা কৰিব। যীচুৰ নামত, আমেন”।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net